# হজ্জৰ কাৰ্যাৱলী শেষ হোৱাৰ আগতে বিদায়ী তাৱাফ কৰা ঠিক নহয়

[ অসমীয়া – Assamese – آسامي ]

## ইছলাম প্ৰশ্ন আৰু উত্তৰ

অনুবাদঃ ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী
ইছলামী বিশ্ববিদ্যালয় মদীনা ছৌদি আৰব

# لا يصح طواف الوداع إلا بعد إكمال الحج

[ অসমীয়া – Assamese – آسامي ]

القسم العلمي بموقع الإسلام سؤال وجواب

ترجمة: رفيق الاسلام بن حبيب الرحمن

بسم الله الرحمن الرحيم

109287: হজ্জৰ কাৰ্যাৱলী শেষ হোৱাৰ আগতে বিদায়ী তাৱাফ কৰা ঠিক নহয়

প্ৰশ্ন: হাজী চাহেবৰ বাবে জুলহিজ্জা মাহৰ ১২ তাৰিখে পোৱাৰ ভাগত বিদায়ী তাৱাফ কৰা জায়েয হ'বনে? তাৰ পিছত তেওঁ মীনাত উভতি আহি শিল গুটি দলিয়াব; আৰু নিজ দেশৰ উদ্দেশ্যে ভ্ৰমণ কৰিব বিচাৰে।

উত্তৰ:

আলহামদুলিল্লাহ।

বিদায়ী তাৱাফ হৈছে- হজ্জৰ শেষ কাম। সেয়ে হজ্জৰ আন আন কাম বাকি থাকোতে বিদায়ী তাৱাফ কৰা জায়েয নহয়। দলিল হৈছে- ইবনে আব্বাছ (ৰাদ্বিয়াল্লাহু আনহু) ৰ হাদিছ "মানুহক নিৰ্দেশ দিয়া হৈছিল তেওঁলোকৰ সৰ্বশেষ কাম যাতে বায়তুল্লাহৰ লগত হয়"

আল্লাহেই উত্তম তাওফিকদাতা; আমাৰ নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি, তেওঁৰ পৰিয়াবৰ্গ আৰু ছাহাবীসকলৰ প্ৰতি আল্লাহৰ ৰহমত আৰু শান্তি বৰ্ষিত হওঁক। সমাপ্ত

ফতোৱা আৰু গৱেষণা বিষয়ক স্থায়ী কমিটি

শ্বাইখ আব্দুল আজীজ বিন বাজ, শ্বাইখ আব্দুৰ ৰাজ্জাক আফীফি, শ্বাইখ আব্দুল্লাহ বিন গাদইয়ান, শ্বাইখ আব্দুল্লাহ বিন কুউদ।

[স্থায়ী কমিটিৰ ফতোৱাসমগ্ৰ (১১/৩০২)]